ষষ্ঠ ষান্মাসিকৰ অসমীয়া প্ৰধান পাঠ্যক্ৰমৰ
ছাত্ৰ ছাত্ৰী সকললৈ অসমীয়া ছন্দ সম্পৰ্কে এটি পাঠ দিয়া
হ'ল। এই পাঠটোত মুকা অক্ষৰ, মাত্ৰা, যতি, পৰ্ব,
চৰণ, স্তৱক আৰু পৰীক্ষাত চমুটোকা লিখিবলৈ আহিব।
লগতে ছন্দ সম্পৰ্কে হ'ব লগা চমুটোকাবোৰো ইয়াতে
পাবা। মিত্ৰাক্ষৰ আৰু অমিত্ৰাক্ষৰ ছন্দ সম্পৰ্কীয়
বহলাই লিখা প্ৰশ্নৰ উত্তৰো ইয়াতে পাবা।

তুলিকা গোস্বামী
সহযোগী অধ্যাপিকা, অসমীয়া বিভাগ
তাৰিখ: ৮|08|2020

# ছন্দ

পাৰিভাষিক শব্দ

ছন্দ সম্বন্ধে কৰলৈ হলে বা তাক বুজিবলৈ হলে এই সম্বন্ধীয় কেইটামান পাৰিভাষিক-শব্দৰ অৰ্থ প্ৰথমতে জনাৰ প্ৰয়োজন। সেইকেইটা এই ঃ

**অক্ষৰ বা ধ্বনি**— ( syllable )—শব্দৰ যি ক্ষুদ্ৰতম অংশ একক ( unit ) ৰূপে একবাৰতে উচ্চাৰিত হয়, তাকেই বোলা হয় অক্ষৰ বা ধ্বনি ( syllable )। অলঙ্কাৰ-শাস্ত্ৰত কিন্তু "ধ্বনি"ৰ অৰ্থ ব্যঞ্জনা ( suggestiveness ) আৰু অভিধানত 'অক্ষৰ'ৰ অন্যতম অৰ্থ আখৰ ( letter )। ছন্দৰ প্ৰসঙ্গত অক্ষৰ শব্দই কিন্তু বৰ্ণ বা আখৰক নুবুজায়। উদাহৰণ স্বৰূপে "ছন্দ" শব্দত বৰ্ণ এই কেইটা=ছ+অ+ন+দ+অ কিন্তু ইয়াত অক্ষৰ বা ধ্বনি এই দুটাহে =ছন্‌+দ।

**মাত্ৰা**—এটা অক্ষৰ বা ধ্বনিৰ উচ্চাৰণৰ ন্যূনতম সময়ৰ পৰিমাপকেই মাত্ৰা ( measure, mora ) বোলা হয়। সংস্কৃতত হ্ৰস্বস্বৰ, দীৰ্ঘস্বৰ আৰু প্লুতস্বৰ যথাক্ৰমে এক মাত্ৰা, দুইমাত্ৰা আৰু তিনিমাত্ৰাত উচ্চাৰিত হয়। সংস্কৃতত অ, ই, উ, ঋ, আৰু ঌ হ্ৰস্বস্বৰ। আ, ঈ, ঊ, ৠ, এ, ঐ, ও আৰু ঔ দীৰ্ঘস্বৰ। সংস্কৃতত আকৌ, অনুস্বাৰ-বিসৰ্গযুক্ত বৰ্ণ, যুক্তাক্ষৰৰ পূৰ্ববৰ্ণ আৰু দীৰ্ঘস্বৰযুক্ত বৰ্ণবোৰো দীৰ্ঘ হয়। অসমীয়াত সাধাৰণতে ঐ আৰু ঔ, এই দুটাত বাহিৰে বাকী কোনোটোৱে দুই মাত্ৰাত উচ্চাৰিত নহয়। যুক্তাক্ষৰৰ পূৰ্ব্ব বৰ্ণও অৱশ্যে কেতিয়াবাহে দীৰ্ঘভাবে উচ্চাৰিত হয়।